# Meeting of BRICS Ministers of Foreign Affairs /International Relations (June 01, 2021)

---

# বিদেশ বিষয়ক/আন্তঃৰাষ্ট্ৰীয় সম্বন্ধৰ ব্ৰিক্স মন্ত্ৰীসকলৰ বৈঠক (জুন 01, 2021)

মে’ 31, 2021

বৰ্তমান ব্ৰিক্স সভাপতি হিচাপে ভাৰতে 01 জুন, 2021 তাৰিখে বিদেশ বিষয়ক/আন্তঃৰাষ্ট্ৰীয় সম্বন্ধৰ ব্ৰিক্স মন্ত্ৰীসকলৰ স্বতন্ত্ৰ বৈঠক অনুষ্ঠিত কৰিব। ভাৰত গণতন্ত্ৰৰ বিদেশ বিষয়ক মন্ত্ৰী, ডঃ এছ জয়শংকৰে ভিডিঅ' কনফাৰেন্স যোগেদি বৈঠকখনৰ সভাপতিত্ব কৰিব। ব্ৰাজিল যুক্তৰাষ্ট্ৰীয় গণৰাজ্যৰ বিদেশ বিষয়ক মন্ত্ৰী, ৰাজদূত কাৰ্লছ এল্বাৰ্ট' ফ্ৰেঙ্কো ফ্ৰেঙ্কা, ৰুছ যুক্তৰাষ্ট্ৰৰ বিদেশ বিষয়ক মন্ত্ৰী, ৰাজদূত চাৰ্গে লাভৰ'ভ, চীন জন গণতন্ত্ৰৰ বিদেশ বিষয়ক মন্ত্ৰী, মিঃ ৱেং য়ি, আৰু দক্ষিণ আফ্ৰিকা গণতন্ত্ৰৰ আন্তঃৰাষ্ট্ৰীয় সম্বন্ধ আৰু সহযোগিতা মন্ত্ৰী, মিচেছ গ্ৰেচ নালেডি মাণ্ডিছা পেণ্ড'ৰে, বৈঠকখনত অংশগ্ৰহণ কৰিব বুলি আশা কৰা হৈছে।

মন্ত্ৰীসকলে কোভিড-19 মহামাৰী পৰিস্থিতি,বহুপক্ষীয় ব্যৱস্থা শক্তিশালী আৰু সংশোধন কৰাৰ আৱশ্যকতা ইয়াৰ ক্ষমতা বৃদ্ধি কৰাৰ লক্ষ্যৰে আমাৰ সময়ৰ ভিন্ন প্ৰত্যাহ্বানৰ সন্মুখিন হোৱাৰ বাবে আৰু সমসাময়িক বাস্তৱলৈ সেয়া অভিযোজন কৰিবলৈ, বিশ্বব্যাপী আৰু আঞ্চলিক চিন্তাৰ বিষয়সমূহ, বহনশীল বিকাশ, সন্ত্ৰাসবাদ বিৰোধিতাৰ ওপৰত ভাব বিনিময় কৰিব বুলি আশা কৰা হৈছে আৰু লগতে অন্তঃ ব্ৰিক্স সহযোগিতা বৃদ্ধিৰ উপায়সমূহ আলোচনা কৰিব, বিশেষকৈ মানৱ-মানৱ সহযোগিতা।

**নতুন দিল্লী**
**মে’ 31, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.